# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১১ জুন তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুক আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা জুমাৰ খোতবাত হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনাত হুদায়বিয়াৰ সন্ধি সম্পৰ্কে উল্লেখ কৰা হৈছিল। হুদায়বিয়াৰ সন্ধিৰ চৰ্ত উলঙ্গা কৰি যেতিয়া কুৰাইছ সকলৰ মিত্ৰ কবিলা বনু বকৰে মুছলমান সকলৰ মিত্ৰ কবিলা বনু খাজাআহৰ ওপৰত আক্ৰমণ চলাইছলি আৰু কুৰাইছ সকলে বনু বকৰক সহায় আগবঢ়াইছিল তেতিয়া আবু ছুফিয়ানে আকৌ নকৈ চুক্তি সম্পাদন কৰিবলৈ মদিনালৈ আহে। ডাক্টৰ আলি বিন ছালাবীয়ে লিখিছে যে তেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ খুৰা হজৰত আববাছ (ৰাঃ)য়ে আবু ছুফিয়ানক লগত লৈ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আহি উপস্থিত হৈছিল। বাটতে হজৰত উমৰ (ৰাঃ)য়ে এওঁলোক দুয়োজনকে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰলৈ যাওঁতে দেখা পাই এখেত (ৰাঃ)য়েও তাত গৈ হাজিৰ হৈছিল। হজৰত উমৰ (ৰাঃ)য়ে গৈ হুজুৰ (ছাঃ)ৰ ওচৰত আবেদন জনাইছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ)মোক অনুমতি দিয়ক,মই এই আল্লাহৰ শত্ৰু আবু ছুফিয়ানৰ ডিঙি দুছোৱা কৰি পেলাওঁ। এয়া শুনি হজৰত আববাছ (ৰাঃ)য়ে কৈছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) মই আবু ছুফিয়ানক আশ্ৰয় দিছো। হজৰত উমৰ (ৰাঃ)আৰু হজৰত আববাছ (ৰাঃ)ৰ মাজত তৰ্ক-বিতৰ্ক হোৱাত ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল যে হে আববাছ ! আবু ছুফিয়ানক তোমাৰ লগত লৈ যোৱা আৰু কালি ৰাতি পুৱাতে লৈ আহিবা।

চন সপ্তম হিজৰিৰ শ্বাবান মাহত ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক এটা লড়াইৰ উদ্দেশ্যে ত্ৰিশ জন লোকৰ এটা বাহিনীৰ সৈতে হুৱাজিন কবিলাৰ এটা শাখা তৰবাহৰ বিৰুদ্ধে পঠিয়াই দিছিল।

জীৱনীমূলক পুস্তক আদিত খায়বৰ যুদ্ধত সৰ্ব প্ৰথম ৰছুলুল্লাহ (ছাঃ)ৰ পতাকা সম্পৰ্কে উল্লেখ পোৱা যায়। ইয়াৰ আগত কেৱল সৰু সৰু নিচান উৰুৱা হৈছিল। নবী কৰিম (ছাঃ)ৰ এই আকাব নামৰ পতাকাখন ক'লা বৰণৰ আছিল, যিখন পতাকা উম্মুল মোমিনিন হজৰত আয়শা (ৰাঃ)ৰ চাদৰেৰে বনোৱা হৈছিল। যেতিয়া হুজুৰ (ছাঃ)য়ে খয়বৰত গৈ অৱস্থান কৰিছিল তেতিয়া আদকপালী হোৱাৰ যন্ত্ৰণাত বাহিৰলৈ ওলাব পৰা নাছিল। সেই কাৰণে তেখেত (ছাঃ)য়ে নিজৰ পতাকা খন হজৰত আবু বক্কৰ (ৰাঃ),তাৰ পিছত হজৰত উমৰ (ৰাঃ) আকৌ হজৰত আলি (ৰাঃ)ৰ হাতত দিছিল। যিসকলৰ হাতত আল্লাহ তা'লাই বিজয় দান কৰিছিল।

খয়বৰৰ যুদ্ধত বিজয় লাভ কৰাৰ পিছত লাভ কৰা যুদ্ধ পৰিত্যাক্ত সামগ্ৰী (মালে গণিমত)ৰ পাঁচ ভাগৰ এভাগ,যিখিনি ৰছুলুল্লাহ (ছাঃ)ৰ বাবে ৰখা হৈছিল,সেই খিনি তেখেত (ছাঃ)য়ে মুছলমান সকলৰ মাজত বিতৰণ কৰি দিয়ে। যিসকল ইহুদী লোকক দেশান্তৰিত কৰি দিয়াৰ ফলত নিজৰ দুৰ্গ এৰি আহিব লগা হৈছিল, আঁহজৰত (ছাঃ)য়ে তেওঁলোকক এটা চৰ্তৰ ওপৰত সিহঁতৰ সম্পদ ঘূৰাই দিছিল যে এইবোৰৰ পৰা উৎপাদিত ফল আদি তেওঁলোক আৰু মুছলমান সকলৰ মাজত বণ্টন কৰি দিয়া হ'ব। ৰছুলুল্লাহ (ছাঃ)ৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালতও এই নিয়ম প্ৰচলিত আছিল। কিন্তু হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে জানিব পাৰিছিল যে হুজুৰ (ছাঃ)নিজৰ শেষ বেমাৰৰ সময়ত কৈছে যে জজিৰা আৰৱত দুটা ধৰ্ম একেলগে থাকিব নোৱাৰে তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে সেই সকল ইহুদীক যি সকলৰ সৈতে ৰছুলুল্লাহ (ছাঃ)ৰ কোনো চুক্তি পত্ৰ নাছিল, দেশান্তৰিত কৰি দিছিল।

হুনায়েনৰ পৰা ওভতি অহাৰ সময়ত হজৰত উমৰ (ৰাঃ)য়ে নবী কৰিম (ছাঃ)ৰ ওচৰত এতেকাফত বহা সম্পৰ্কে সুধিছিল, যি প্ৰথা তেওঁলোকে অজ্ঞতাৰ যুগত মানি চলিছিল। (অৰ্থাৎ মানসী হিচাপে কৰা কাম) নবী কৰিম (ছাঃ)য়ে সেই মানসী পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছিল।

তবুকৰ যুদ্ধৰ সময়ত যেতিয়া নবী কৰিম (ছাঃ)য়ে চান্দাৰ আহ্বান জনাইছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে মনে মনে থিৰাং কৰিছিল যে আজি মই হজৰত আবু বক্কৰ (ৰাঃ)ক চেৰ পেলাই যাম। গতিকে তেখেত (ৰাঃ)য়ে নিজৰ সম্পদৰ আধাখিনি লৈ আনি আঁ-হজৰত (ছাঃ)ক আগবঢ়াই দিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে সেই সময় খিনি ইছলামৰ বাবে চৰম দুৰ্দশাৰ দিন আছিল তথাপি হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ সকলো খিনি সম্পদ লৈ আনি আঁ-হজৰত (ছাঃ)ক আগবঢ়াই দিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে উক্ত ঘটনাটো বৰ্ণনা কৰি কৈছে যে এক প্ৰকাৰৰ লোক আছে, সিহঁতে বয়াত কৰি লয় আৰু স্বীকাৰও কৰে যে দ্বীনক জাগতিকতাৰ ওপৰত প্ৰাধান্য দিব কিন্তু যেতিয়া সহায় সহযোগীতা আৰু দান বৰঙণীৰ সময় আহে তেতিয়া নিজৰ পকেট চেপি ধৰি বহি থাকে। ভালেই এনেকুৱা মৰমে জাগতিক প্ৰেমৰ বাহিৰে দ্বীনি উদ্দেশ্য সাধন কৰিব পাৰিবনে ?

যেতিয়া নবী কৰিম (ছাঃ)ৰ কঠিন বেমাৰ চলিছিল তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে মোৰ ওচৰত লিখাৰ সামগ্ৰী লৈ আনা, মই তোমালোকক এনেকুৱা এটা কথা লিখি দিওঁ, যাৰ পিছিত তোমালোকে আৰু সজ বাট এৰি ভ্ৰষ্ট হৈ নোযোৱা। হজৰত ছৈয়দ জয়নাল আবদিন অলি উল্লাহ শ্বাহ চাহাবে লিখিছে যে হজৰত উমৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যু হ'ব পাৰে বুলি ধাৰণাই কৰা নাছিল। গতিকে তেখেত (ৰাঃ)য়ে সদায় লোকক কৈ থাকিছিল যে আমাৰ ওচৰত কিতাবুল্লাহ বৰ্তমান আছে,যি আমাৰ বাবে যথেষ্ট। সেয়ে হুজুৰ (ছাঃ)ক কষ্ট দিয়াৰ একো প্ৰয়োজন নাই। এয়া শুনি উপস্থিত থকা লোক সকলৰ মাজত মতানৈক্যৰ উদ্ভৱ হয় আৰু চিঞৰ-বাখৰ ইমানেই বাঢ়ি যায় যে ৰছুলে কৰিম (ছাঃ)য়ে তেওঁলোকক তাৰ পৰা উঠি গুচি যাবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ দ্বাৰা অনুমান কৰিব পৰা যায় যে তেখেত (ছাঃ)য়ে কিতাবুল্লাহৰ সন্মান সেই মুমুৰ্ষ অৱস্থাতও ইমানেই কৰিছিল যে হজৰত উমৰ (ৰাঃ)ৰ কথাবোৰ শুনাৰ পিছত দ্বিতীয়বাৰ আৰু কাগজ,কলম,চিয়াহী লৈ অনাৰ কথা কোৱা নাছিল। এই ঘটনা সংগঠিত হোৱাৰ পিছতও কিছুদিন হুজুৰ (ছাঃ)য়ে জীৱিত আছিল, সেই দিনকেইটাত বেলেগ কিছুমান উপদেশ দি থৈ গৈছে কিন্তু এই বিষয়ে একোৱে প্ৰকাশ কৰা নাই।

যেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যু হৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে থিয় হৈ ক'বলৈ লৈছিল যে আল্লাহৰ

শপত ! ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যু হোৱা নাই আৰু যিজনে এয়া ক'ব যে মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যু হৈছে তাক মই মোৰ তৰোৱালেৰে হত্যা কৰি পেলাম। আল্লাহ তা'লা নিশ্চয় তেখেত (ছাঃ)ক উঠাব যাতে কিছুমান মানুহৰ হাত ভৰি কাটি দিয়ে। আঁহুজুৰ (ছাঃ)ৰ মৃত্যুৰ সময়ত হজৰত আবু বক্কৰ (ৰাঃ)মদিনাৰ পৰা দুই মাইল মান আঁতৰত অৱস্থিত চানা নামক ঠাইত আছিল। হজৰত উমৰ (ৰাঃ)য়ে এনে ধৰণৰ কথা ঘোষণা কৰি থকাৰ সময়তে হজৰত আবু বক্কৰ (ৰাঃ)য়ে তালৈ আহি উপস্থিত হৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ মোবাৰক মুখমণ্ডলৰ পৰা কাপোৰ আঁতৰাই তেখেত (ছাঃ)ক চুমা দিছিল আৰু বাহিৰলৈ আহি লোকৰ সন্মুখত এটা ভাষণ দিছিল। খোদা তা'লাৰ হামদ ও ছানাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল-চোৱা ! যি সকলে মহম্মদ (ছাঃ)ক পূজা কৰিছিলা,তেওঁলোকে শুনি লোৱা যে মহম্মদ (ছাঃ)য়ে নিশ্চয় মৃত্যু বৰণ কৰিছে আৰু যিসকলে আল্লাহৰ পূজা কৰে,তেওঁলোকে মনত ৰাখিব যে  আল্লাহ (অমৰ) সি জীয়াই আছে। ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে কোৰ-আন কৰিমৰ এই আয়াত পাঠ কৰি শুনাইছিল। **ওৱা মা মুহাম্মাদুন ইল্লা ৰাছুলুন;কাদ খালাত মিন কাবলিহিৰ ৰছুলু।** অৰ্থাৎ মহম্মদ (ছাঃ)আল্লাহৰ ৰছুল হয়; তেখেত (ছাঃ)ৰ পূৰ্বৰ সকলো ৰছুলৰ মৃত্যু হৈছে। কিয় ! যদি তেখেত (ছাঃ)ৰ মৃত্যু হয়; অথবা তেখেতক হত্যা কৰা হয় তেন্তে তোমালোকে নিজৰ গোৰোহাৰ বলেৰে ওলটি যাবানে! আৰু যদি কোনোবাই নিজৰ গোৰোহাৰ বলেৰে ওলটি যায় তেন্তে সি খোদা তা'লাক কেতিয়াও ক্ষতি সাধন কৰিব নোৱাৰে আৰু নিশ্চয় আল্লাহ তা'লা শলাগ লওঁতা সকলক পুৰস্কৃত কৰে। এই আয়াতে কৰিমা শুনি লোকে ইমানেই কান্দিছিল যে শ্বাস ৰুদ্ধ হৈ পৰিছিল। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে আল্লাহৰ শপত ! যেতিয়া মই হজৰত আবু বক্কৰ (ৰাঃ)ক এই আয়াত পঢ়োতে শুনিছিল মই ইমানেই মৰ্মাহত হৈছিলো যে আতংকৰ কোবত মোৰ ভৰিয়ে মোক চম্ভালি ৰাখিব নোৱাৰিছিল আৰু মই মাটিত বহি পৰিছিলোঁ। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ৰাৱী বৰ্ণনা কৰিছে যে সম্ভৱত লোকে তলকিবই নোৱাৰিছিল যে এই আয়াতও খোদা তা'লাই অৱতীৰ্ণ কৰিছে। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে খোদাৰ শপত ! মই যেনিবা এই আয়াত আবু বক্কৰ (ৰাঃ)ৰ মুখত প্ৰথম শুনিলো।

আৰু কৈছে যে এতিয়া চিন্তা কৰা যে যদি হজৰত আবু বক্কৰ (ৰাঃ)ৰ এই স্পষ্ট আৰু আনুষঙ্গিক প্ৰমাণ উক্তি যে সকলো নবীৰ মৃত্যু হৈছে,কোৰ-আন মজিদৰ বাক্য নহ'লহেঁতেন তেন্তে সেই সকল চাহাবা,যাৰ সংখ্যা লাখৰও অধিক হ'ব, একমাত্ৰ বিবেকৰ ধাৰণাৰ ওপৰত কেনেকৈ বিশ্বাসী হৈ আপোনাৰ এই উক্তি প্ৰমাণ সাপেক্ষে নহয়। কিয় ! তেখেত (ৰাঃ)অৱগত নাছিলনে যে কোৰ-আন কৰিমৰ আয়াত ৰাফিউকা ইলাইয়া ৰ মাজত হজৰত মছীহ নাচিৰীক সশৰীৰে জীৱন্ত অৱস্থাত আচমানত উত্তোলণ সম্পৰ্কে বৰ্ণনা কৰিছে ? কিয় ! তেখেত (ৰাঃ)য়ে **বাৰৰাফাআহু ইলাইহি** বাক্যটো শুনা নাছিলনে ? আনহাতে আঁ-হজৰত (ছাঃ)ৰ আচমানলৈ যোৱাটো তেখেত (ৰাঃ)ৰ ওচৰত কিয় অবিশ্বাস্য আছিল ? চাহাবা সকল সিসকলে কোৰ-আনৰ গভীৰ তত্ত্ব সম্পৰ্কে অভিজ্ঞ আছিল; তেওঁলোকে হজৰত আবু বক্কৰ (ৰাঃ)ৰ মুখত উচ্চাৰিত এই আয়াত শুনি আৰু খালাত শব্দৰ শুদ্ধ ব্যাখ্যা **আফাইম্মাতা আও কুতিলা**ৰ মাজত স্পষ্ট হোৱাত তৎক্ষণাত আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ বেদনাত শোকাকুল হৈ পৰিছিল আৰু তেওঁলোকৰ এয়াও মনত পৰিছিল যে অতীতৰ সকলো নবীয়েই মৃত্যু বৰণ কৰিছে।

অইন এঠাইত হজৰত মছীহ মাওউদ (আঃ)য়ে বৰ্ণনা কৰিছে যে খোদা তা'লাই হাজাৰও নেক পুৰস্কাৰ হজৰত আবু বক্কৰ (ৰাঃ)ক দান কৰিছিল যাৰ ফলত তেখেতে এই বিশৃংখলা দূৰীভুত কৰিছিল আৰু কোৰ-আন কৰিমৰ পৱিত্ৰ আয়াত পাঠ কৰি জনাই দিছিল যে অতীতৰ সকলো নবী মৃত্যু বৰণ কৰিছে। যদি ইয়াতে **খালাত**

শব্দৰ অৰ্থ এয়া ধৰা হয় যে কিছুমান নবী জীৱন্ত অৱস্থাত আকাশত উঠি বহি আছে, তেন্তে এনেস্থলত হজৰত উমৰ (ৰাঃ)য়ে সত্য প্ৰমাণিত হয় আৰু এই আয়াত তেখেতৰ সহায়ক হয়। গতিকে **খালাত** শব্দৰ অৰ্থ দুই ধৰণে কৰিব পৰা যায়। **হাতফু আনফিন** অৰ্থাৎ সাধাৰণ মৃত্যু আৰু হত্যা।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কালত আনছাৰী বনি ছাআদৰ ঘৰত আহি হজৰত ছাআদ বিন আবাদাহ (ৰাঃ)য়ে বনি ছাআদক কৈছিল যে তোমালোকৰ ফালৰ পৰা এজন আমিৰ হওঁক আৰু আমাৰ ফালৰ পৰা এজন আমিৰ হওঁক। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ),হজৰত উমৰ (ৰাঃ),আৰু হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ) তেওঁলোকৰ ওচৰলৈ যায় আৰু তাত হজৰত আবু বক্কৰ (ৰাঃ)য়ে বৰ সুন্দৰ এটা ভাষণ প্ৰদান কৰিছিল আৰু কৈছিল যে আমি আমিৰ আৰু তোমালোক উজিৰ, কাৰণ কুৰাইছ বংশ সন্মানৰ ক্ষেত্ৰত গোটেই আৰৱতকৈ উচ্চ আৰু হিচাপত সকলোতকৈ পুৰণি। গতিকে উমৰ (ৰাঃ) নাইবা আবু উবেয়দা (ৰাঃ)ৰ বয়াত কৰি লোৱা। এই কথাবোৰ শুনি হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে নহয় ! আমি আপোনাৰ (অৰ্থাৎ আবু বক্কৰৰ) বয়াত কৰিম। কাৰণ আপুনি আমালোকৰ নেতা,আমালোকতকৈ উত্তম আৰু আপুনি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আপোনালোকৰ সকলোতকৈ বেছি প্ৰিয় আছিল, এই বুলি হজৰত উমৰ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ হাতত ধৰি বয়াত কৰি লৈছিল।

যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কালত ধৰ্ম ত্যাগ কৰি যোৱা সকলে বিদ্ৰোহ আৰম্ভ কৰিছিল তেতিয়া প্ৰথমে হজৰত উমৰ (ৰাঃ)য়ে যুদ্ধৰ বিৰোধ কৰিছিল কিন্তু হজৰত আবু বক্কৰ (ৰাঃ)ৰ সিদ্ধান্তৰ আগত এখেত (ৰাঃ)য়ে নত হৈছিল। এখেত (ৰাঃ)য়ে কৈছে যেতিয়া মই দেখিছিলো যে আল্লাহ তা'লা হজৰত আবু বক্কৰ (ৰাঃ)ক লড়াই কৰিবৰ সাহস প্ৰদান কৰিছে তেতিয়া মই বুজি  পাইছিলো যে সত্য ইয়াতে আছে।

ইয়ামামাৰ যুদ্ধত যেতিয়া সত্তৰ জন হাফিজ শ্বহীদ হৈ গৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক কোৰ-আন কৰিম এটা স্থানত জমা কৰিবলৈ পৰামৰ্শ দিছিল। ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা ইনশা আল্লাহ আগলৈ চলিব বুলি কৈ আজিৰ খোতবাৰ সামৰণি টানে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844